Krishna Kanta Handiqui State Open University
MA 3rd Sem. Examination, 2015
বিষয় ঃ অসমীয়া
সাহিত্য সমালোচনা

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো *পাঁচটাৰ* অতি চমু উত্তৰ লিখক— ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসংলক্ষ্যক্ৰমব্যঙ্গ ধ্বনি মানে কি?
(খ) হাস্য ৰস সম্পৰ্কে চমুকৈ লিখক।
(গ) মেথিউ আৰ্নল্ডৰ কবিতাৰ সংজ্ঞাটো আলোচনা কৰক।
(ঘ) বক্ৰোক্তিবাদ মানে কি?
(ঙ) প্ৰকৰণ বক্ৰতা কাক বোলে?
(চ) চুটিগল্পৰ এটা সংজ্ঞা আগবঢ়াওক।

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) সাহিত্য সমালোচনাৰ ক্ষেত্ৰত এজন সমালোচকৰ ভূমিকা কেনে হোৱা উচিত বুলি আপুনি বিবেচনা কৰে? আলোচনা কৰক।
(খ) পাশ্চাত্য আলোচকসকলে কবিতা সম্পৰ্কে আগবঢ়োৱা মতামতসমূহ বিশ্লেষণ কৰক।
(গ) প্ৰাচ্য আৰু পাশ্চাত্য নাট্য সমালোচকসকলে নাটকৰ সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ কি কি মন্তব্য কৰিছে সেয়া নিজৰ ভাষাত আলোচনা কৰক।
(ঘ) উপন্যাসৰ ক্ৰমবিকাশ সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক।

৩। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক— ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) কাব্যৰ বিবিধ উপাদান সম্পৰ্কে বক্ৰোক্তি জীবিতকাৰে প্ৰদান কৰা অভিমতসমূহৰ বিষয়ে এটা টোকা লিখক।

(খ) চচ্যুৰৰ ভাষা-বিজ্ঞান চিন্তা-চৰ্চাই কেনেদৰে সংযুতিবাদ, উত্তৰ সংযুতিবাদ আৰু নিৰ্গঠনবাদৰ দৰে নব্যতাত্ত্বিক ধাৰণা প্ৰতিষ্ঠাত সহায় কৰিছে, সেই বিষয়ে এটি আভাস দিয়ক।
(গ) ধ্বনিৰ স্বৰূপ দাঙি ধৰি বাক্যত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।
(ঘ) কবিতাৰ উপাদান— এই সম্পৰ্কে এটি মননশীল বিচাৰ আগবঢ়াওক।

৪। তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক— ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) এৰিষ্টটলে আগবঢ়োৱা ট্ৰেজেডীৰ সংজ্ঞাটোৰ আধাৰত ট্ৰেজেডীৰ প্ৰধান বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।
(খ) উপন্যাসত চৰিত্ৰৰ ভূমিকা— এই সম্পৰ্কে এটি আলোচনাত্মক টোকা প্ৰস্তুত কৰক।
(গ) চুটিগল্পৰ সৈতে সাধুকথা, গীতি-কবিতা, নাটক আৰু উপন্যাসৰ সম্পৰ্ক বিচাৰ কৰক।
(ঘ) বিভাব, অনুভাব আৰু ব্যাভিচাৰীভাব সম্পৰ্কে বহলাই আলোচনা কৰক।
(ঙ) ধ্বনিবাদৰ বিপক্ষে থকা মতবাদসমূহ উল্লেখ কৰি এটি নিবন্ধ প্ৰস্তুত কৰক।